- জলবায়ু আৰু স্থলভাগৰ দৰে কাৰকসমূহৰ উদ্ভিদ আৰু প্ৰাণীৰ মাজৰ বৈচিত্ৰতাৰ ওপৰত পেলোৱা প্ৰভাৱ সম্পৰ্কে আলোচনা কৰিব পাৰিব।
- দুৰ্যোগ আৰু দুৰ্ঘটনা সৃষ্টিকাৰী কাৰকসমূহৰ ওপৰত আলোকপাত কৰিব।
- বায়ু, পানী, শক্তি, উদ্ভিদ আৰু প্ৰাণীৰ সংৰক্ষণৰ ক্ষেত্ৰত সংবেদনশীল হ'ব।
- ভাৰতৰ লগতে পৃথিৱীৰ বিভিন্ন জলবায়ু অঞ্চল আৰু তাত বসবাস কৰা লোকসকলৰ জীৱন প্ৰণালীৰ আন্তঃ সম্পৰ্কৰ ওপৰত আলোচনা কৰিব।
- কোনো বিশেষ অঞ্চলৰ বিকাশত প্ৰভাৱ পেলোৱা কাৰকসমূহৰ ওপৰত আলোচনা কৰিব পাৰিব।
- ইতিহাসৰ বিভিন্ন সময়ৰ অধ্যয়নৰ বেলিকা উৎসসমূহৰ উদাহৰণ দি আলোচনা কৰিব পাৰিব।
- মধ্যযুগত সংঘটিত হোৱা দুখন ঠাইৰ ঘটনাৱলীৰ ঐতিহাসিক বিকাশ সম্পৰ্কে বিচাৰ কৰিব পাৰিব।
- বিভিন্ন জনজাতি, পশুপালক আৰু অঘৰীসকলৰ বসতি এলেকাৰ ভৌগোলিক অৱস্থা আৰু জীৱন-ধাৰণ প্ৰণালীৰ মাজৰ সম্পৰ্ক ব্যাখ্যা কৰিব পাৰিব।
- মধ্যযুগৰ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক পৰিৱৰ্তনসমূহ বিশ্লেষণ কৰিব পাৰিব।
- খিলিজি, টোগলক আৰু মোগলসকলে গ্ৰহণ কৰা সামৰিক নিয়ন্ত্ৰণ প্ৰশাসনিক ব্যৱস্থা আৰু কৌশলৰ বিশ্লেষণ কৰিব পাৰিব।
- বিভিন্ন শাসন ব্যৱস্থা আৰু নীতিৰ মাজৰ পাৰ্থক্যৰ বিষয়ে আলোচনা কৰিব পাৰিব।
- মন্দিৰ, মছজিদ, গম্বুজ আদিৰ নিৰ্মাণত ব্যৱহৃত উল্লেখনীয় শৈলী আৰু প্ৰযুক্তিসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব।
- ভক্তিবাদ আৰু চুফীবাদৰ দৰে নব্যধৰ্মীয় মতবাদসমূহক প্ৰভাৱিত কৰা কাৰকসমূহৰ বিশ্লেষণ কৰিব পাৰিব।
- প্ৰচলিত সামাজিক ধাৰা সন্দৰ্ভত ভক্তিবাদী আৰু চুফীবাদী সন্তসকলৰ কবিতাৰ পৰা নিসৃত ধাৰণাসমূহ উল্লেখ কৰিব।
- গণতন্ত্ৰত সমতাৰ গুৰুত্ব সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিব।
- ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক সমতাৰ মাজৰ পাৰ্থক্য বিশ্েষণ কৰিব।
- সমতাৰ অধিকাৰ প্ৰসংগত নিজ নিজ অঞ্চলৰ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক বিষয়সমূহৰ বিশ্লেষণ কৰিব।
- স্থানীয় আৰু ৰাজ্য চৰকাৰৰ মাজৰ পাৰ্থক্য বুজাই দিব।
- বিধান সভাৰ নিৰ্বাচন প্ৰক্ৰিয়া সম্পৰ্কে ব্যাখ্যা কৰিব।
- ৰাজ্য আৰু কেন্দ্ৰশাসিত বিধানসভা সমষ্টিৰ মানচিত্ৰৰ পৰা নিজ নিজ সমষ্টি আৰু বিধায়কৰ নাম চিনাক্ত কৰিব।
- সমাজৰ বিভিন্ন স্তৰৰ মহিলাসকলে সন্মুখীন হোৱা অসুবিধাসমূহৰ কাৰণ আৰু পৰিণাম বিশ্লেষণ কৰিব।
- ভাৰতৰ বিভিন্ন অঞ্চলৰ সফল মহিলাসকলক চিনাক্ত কৰিব পাৰিব।
- যথোপযুক্ত উদাহৰণেৰে সমাজৰ বিভিন্ন দিশত অৱদান যোগোৱা মহিলাসকলৰ বিষয়ে ব্যাখ্যা কৰিব।
- বাতৰি কাকতৰ পৰা সংগৃহীত গঠনমূলক উদাহৰণৰ সৈতে প্ৰচাৰ মাধ্যমৰ কাৰ্যসমূহ ব্যাখ্যা কৰিব।
- বিজ্ঞাপন তৈয়াৰ কৰিব।
- বিভিন্ন ধৰণৰ বজাৰসমূহৰ মাজৰ পাৰ্থক্য বিশ্লেষণ কৰিব।
- বিভিন্ন বজাৰলৈ সামগ্ৰীসমূহ কেনেদৰে সৰবৰাহ কৰা হয় বিচাৰি উলিয়াব পাৰিব।




# ছাত্ৰ-ছাত্ৰীৰ শিকনৰ ফলাফল সম্বন্ধে অভিভাৱক আৰু সমাজৰ ব্যক্তিসকলৰ বাবে প্ৰচাৰ পত্ৰিকা

## সপ্তম শ্ৰেণী




সত্যমেব জয়তে
প্ৰাথমিক শিক্ষা বিভাগ, অসম চৰকাৰ

एन सी ई आर टी
NCERT

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো, সকলোৱে আগবাঢ়ো

# অসমীয়া

## ছাত্ৰ-ছাত্ৰীয়ে—

- বিভিন্ন প্ৰকাৰৰ পঠন সামগ্ৰী পঢ়ি বুজি নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰিব পাৰিব।
- গল্প, সাধু, কাহিনী আদি শুনি বুজি ক্ৰম অনুসৰি ক'ব আৰু কবিতা আবৃত্তি কৰিব পাৰিব।
- অনাতাঁৰ ভাষণ, ভাওনাৰ বচন, চলন্ত বিৱৰণী, বিজ্ঞাপন, ঘোষণা, কথোপকথন, প্ৰতিবেদন আদি শুনি বুজিব।
- যি কোনো অপৰিচিত ব্যক্তিৰ সৈতে প্ৰয়োজনত ভাব বিনিময় কৰিব পাৰিব।
- নিজৰ পৰিৱেশ, সমসাময়িক সমাজৰ লগত জড়িত সমস্যাৰ ওপৰত নিজৰ মতামত ব্যাখ্যা কৰিব পাৰিব।
- কুইজ, সাঁথৰ, তৰ্ক প্ৰতিযোগিতা, আকস্মিক বক্তৃতা প্ৰতিযোগিতা আদিত অংশ গ্ৰহণ কৰিব আৰু কথন শৈলীৰ বিকাশ ঘটাব পাৰিব।
- কোনো ঘটনা, দৃশ্য দেখি, অনুভৱ কৰি মৌখিক/সাংকেতিক ৰূপত প্ৰকাশ কৰিব পাৰিব।
- পুথিভঁৰালত কিতাপ পঢ়াৰ অভ্যাস গঠন হ'ব আৰু পঢ়াৰ কৌশলবোৰ আয়ত্ত কৰিব পাৰিব।
- প্ৰতিষ্ঠিত কবি, সাহিত্যিকৰ ৰচনাৱলী পঢ়ি সাহিত্যৰ বিভিন্ন প্ৰকাৰৰ শাখাবোৰৰ (সাধু, গল্প, কবিতা, জীৱনী আদি) বৈশিষ্ট্যবোৰ জানিব।
- সাধু, গল্প, কাহিনী, কবিতা আদি পঢ়ি নিজাভাৱে সজাই-পৰাই ক'ব, প্ৰশ্ন সুধিব আৰু নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰিব পাৰিব।
- উৎসৱ, মেলা, খেল আৰু আকস্মিকভাৱে ঘটা ঘটনাৰ বিৱৰণ সুন্দৰকৈ দিব পাৰিব।
- টেলিফোনৰ জৰিয়তে বাৰ্তালাপ কৰিব আৰু যোগাযোগ কৰিব পাৰিব।
- শ্ৰেণীকোঠা, প্ৰাতঃসভা, ৰে'লষ্টেচন, বজাৰ, বিমান-বন্দৰ, চিনেমা হল আদিত থকা লিখিত বিভিন্ন নিৰ্দেশনা আৰু ঘোষণাবোৰ পঢ়ি, শুনি সেইবোৰ মানি চলিব পাৰিব।
- বিভিন্ন কলা, যেনে— হস্তকলা, নৃত্যকলা আদিত প্ৰয়োগ কৰা শব্দবোৰ বুজিবলৈ চেষ্টা কৰিব আৰু বাস্তৱ জীৱনত প্ৰয়োগ কৰিব পাৰিব।
- পঢ়োঁতে পোৱা নতুন শব্দৰ অৰ্থ বিচাৰি উলিয়াবলৈ অভিধান/শব্দকোষ ব্যৱহাৰ কৰিব পাৰিব।
- বাতৰি-কাকত, শিশু আলোচনী, নাটিকা, প্ৰাসংগিক পুথি আদি পঢ়ি মানৱীয় প্ৰমূল্যবোধ আহৰণ কৰিব পাৰিব।
- কবিতা, কাহিনী আদি পঢ়ি লিখাৰ ধৰণ, কৌশলসমূহ বুজিব আৰু প্ৰশ্ন সুধিব পাৰিব।
- কোনো বিষয়বস্তু পঢ়ি যদি অসুবিধা পায়, প্ৰয়োজন হ'লে সমনীয়া আৰু শিক্ষকৰ সহায় ল'ব আৰু তথ্যভিত্তিক লিখনৰ কৌশল আয়ত্ত কৰিব পাৰিব।
- জতুৱা ঠাঁচ, ফকৰা-যোজনা আদি পঢ়ি, বুজি পাব, শুদ্ধ ৰূপত কথিত, লিখিতভাৱে প্ৰকাশ কৰিব আৰু বাস্তৱ জীৱনত প্ৰয়োগ কৰিব পাৰিব।
- মান্য ভাষাত প্ৰকাশিত বিভিন্ন সামগ্ৰী (বাতৰি-কাকত, কাহিনী, বিজ্ঞাপন ফলক আদি) পঢ়িব আৰু নিজৰ ভাল লগা বা বেয়া লগা অনুভৱবোৰ লিখিতৰূপত/ব্ৰেইল পদ্ধতিত লিখিব পাৰিব।
- বাতৰি, পাণ্ডুলিপি লিখিব আৰু যি কোনো বিষয়ৰ বিষয়ে প্ৰতিবেদন লিখিব পাৰিব।
- গল্প, কবিতা আদি লিখি বাতৰি-কাকত, আলোচনীত প্ৰকাশ কৰিব পাৰিব। জাতীয় কলা সংস্কৃতিৰ বিষয়ে জানিব আৰু সংৰক্ষণ কৰিব পাৰিব।
- বৈজ্ঞানিক দৃষ্টিভংগী, স্থানীয় সম্পদ সংৰক্ষণ, পৰিৱেশ সংৰক্ষণ, লিংগবৈষম্য দূৰীকৰণ, বৰ্ণবৈষম্য দূৰীকৰণ আদিৰ বিষয়ে এক সুস্থ মনোভাব গঢ়ি উঠিব পাৰিব।
- যি কোনো লিখনিত শুদ্ধ ৰূপত যতি, বিৰাম আদি চিহ্নৰ ব্যৱহাৰ কৰিব পাৰিব।
- কৈশোৰ কালৰ বৈশিষ্ট্যৰ বিষয়ে জানি নিজৰ জীৱনলৈ আহিব পৰা সমস্যা সমাধান কৰিব পাৰিব।
- বাস্তৱ জীৱনৰ লগত সংগতি ৰাখি ব্যাকৰণৰ ব্যৱহাৰ কৰিব পাৰিব।
- যি কোনো বিষয়ে পৰ্যৱেক্ষণ কৰি বিশ্লেষণ আৰু সিদ্ধান্ত গ্ৰহণ কৰিব পৰা দক্ষতা আহৰণ কৰিব (প্ৰকল্পৰ জৰিয়তে) পাৰিব।

# ENGLISH

## The learner –

- answers questions orally and in writing on a variety of texts
- reads aloud stories and recites poems with appropriate pause, intonation and pronunciation
- participates in different activities in English such as role play, poetry recitation, skit, drama, debate, speech, elocution, declamation, quiz, etc., organized by school and other such organizations
- engages in conversations in English with family, friends, and people from different professions such as shopkeeper, sales person, etc. using appropriate vocabulary
- responds to different kinds of instructions, requests, directions in varied contexts viz. school, bank, railway station
- speaks about excerpts, dialogues, skits, short films, news and debate on T.V. and radio, audio-video programmes on suggested websites
- asks and responds to questions based on texts (from books or other resources) and out of curiosity
- reads textual/non-textual materials in English/ Braille with comprehension
- identifies details, characters, main idea and sequence of ideas and events in textual/non-textual material



- thinks critically, compares and contrasts characters, events, ideas, themes and relates them to life
- reads to seek information in print/online, notice board, sign boards in public places, newspaper, hoardings, etc.
- takes notes while teacher teaches/from books/from online materials
- infers the meaning of unfamiliar words by reading them in context
- refers dictionary, thesaurus and encyclopedia to find meanings/spellings of words while reading and writing
- reads a variety of texts for pleasure, adventure stories and science fiction, folk tales, biography, autobiography, travelogue, etc. (extensive reading)
- uses appropriate grammatical forms in communication (e.g. noun, pronoun, verb, determiners, time and tense, passivisation, adjective, adverb, etc.)
- organises sentences coherently in English/in Braille with the help of verbal and visual clues and with a sense of audience
- writes formal letters, personal diary, list, e-mail, SMS, etc.
- writes descriptions/narratives showing sensitivity to gender, environment and appreciation of cultural diversity
- writes dialogues from a story and story from dialogues
- visits a language laboratory
- writes a book review

## हिंदी

- *शुद्ध उच्चारण के साथ सही लय में गीत कविताओं का पठन आवृत्ति कर पायेंगे।*
- *देखी-सुनी-पढ़ी हुई चीजों जैसे कहानी, घटना, लेख आदि के बारे में हिन्दी भाषा में बातचीत कर पायेंगे।*
- *स्थानीय वस्तुओं, सांस्कृतिक उपादानों के बारे में ज्ञान प्राप्त कर पायेंगे।*
- *जनसंचार माध्यमों में प्रसारित भिन्न अनुष्ठानों, वार्तालापों, समाचारों को देखकर, सुनकर समझ पायेंगे।*
- *व्यावहारिक हिन्दी व्याकरण शिक्षा ज्ञान अर्जन करते हुए शुद्धता के साथ इसका प्रयोग कर पायेंगे।*
- *स्थानीय गीत, मात, लोक साहित्य आदि के बारें में जानकारी प्राप्त कर पायेंगे।*
- *विद्यार्थी अपने किसी भी विषय पर हिन्दी में अभिव्यक्ति दे सकेंगे।*
- *शुद्धता एवं परिपूर्णता के साथ व्याकरणिक ज्ञान को प्राप्त करके हिन्दी बोलने और लिखने का ज्ञान प्राप्त कर पायेंगे।*
- *विभिन्न चित्रों, विविध हस्तकलाओं से बनी शिक्षण-सामग्री द्वारा भाषाओं में व्यवहृत वर्ण ध्वनियों के सही प्रयोग के बारे में जान पायेंगे।*
- *अपने मानसिक स्तर के अनुसार विद्यार्थी विभिन्न विषयों पर लेखन शैली के संबंध में जान पायेंगे तथा आवश्यकता अनुसार इसका प्रयोग कर पायेंगे।*
- *प्रतिष्ठित स्थानीय, राष्ट्रीय कवि, साहित्यिक, महापुरुषों की जीवनी तथा उनकी कर्मराजियों के बारे में ज्ञान प्राप्त कर पायेंगे तथा सही समय पर उनकी तरह लेखन के क्षेत्र में स्वयं काबिल होने की प्रेरणा प्राप्त करेंगे।*
- *सुनकर, समझकर हिन्दी में किसी भी विषय पर बिना भूल के लिखने को समर्थ हो पायेंगे।*
- *किसी भी क्षेत्र तथा विषय से संबंधित आशुभाषण प्रस्तुति हेतु प्रोत्साहित हो पायेंगे।*
- *कलात्मक प्रतिभाओं का विकास होगा। अभिनय कर पायेंगे।*
- *विद्यार्थियों में बाहरी ज्ञान प्राप्ति के अवसर आएंगे, क्षेत्रों के बारे में भौगोलिक ज्ञान प्राप्त करने के साथ-साथ उनके बारे में पुनः अपने साथियों, शिक्षको, परिजनों को बता पायेंगे।*

## গণিত

ছাত্র-ছাত্রীয়ে—

- দুটা অখণ্ড সংখ্যাৰ পূৰণ আৰু হৰণ কৰিব পাৰিব।
- ভগ্নাংশৰ হৰণ আৰু পূৰণ কেনেদৰে কৰে ব্যাখ্যা কৰিব পাৰিব। উদাহৰণস্বৰূপে, $\frac{2}{3} \times \frac{4}{5}$ক $\frac{4}{5}$ৰ $\frac{2}{3}$ হিচাপে বুজি পাব। আকৌ $\frac{1}{2}$ হবলৈ কেইটা $\frac{1}{4}$ লাগে তাক $\frac{1}{2} \div \frac{1}{4}$ৰ সহায়ত ব্যাখ্যা কৰিব পাৰিব।
- ভগ্নাংশ/দশমিক ভগ্নাংশৰ পূৰণ আৰু হৰণৰ অংক কৰোতে নিয়মবোৰ ব্যৱহাৰ কৰিবলৈ জানিব
- পৰিমেয় সংখ্যাৰ লগত জড়িত দৈনন্দিন জীৱনৰ সমস্যাবোৰ সমাধান কৰিব পাৰিব।
- পূৰণ আৰু হৰণেৰে ডাঙৰ সংখ্যাৰ সমস্যা সমাধান কৰোতে সংখ্যাৰ সূচকীয় ৰূপ (exponential form) ব্যৱহাৰ কৰিব জানিব আৰু সমাধান কৰিবলৈ জানিব।
- দৈনন্দিন জীৱনৰ সমস্যাবোৰ সৰল সমীকৰণৰ সহায়ত প্ৰকাশ কৰি সমাধান কৰিব পাৰিব।
- বীজগাণিতিক ৰাশিবোৰৰ যোগ আৰু বিয়োগ কৰিব পাৰিব।
- অনুপাতত থকা পৰিমাণবোৰ (quantities)ৰ পাৰ্থক্য জানিব। উদাহৰণস্বৰূপে, $\frac{15}{45}$ আৰু $\frac{40}{120}$ এই অনুপাত দুটা যে সমান আৰু 15, 45, 40, 120 ক সমানুপাতত থকা বুলি কোৱা হয় তাক জানিব পাৰিব।
- শতাংশক ভগ্নাংশ আৰু দশমিক ভগ্নাংশলৈ, দশমিক আৰু সাধাৰণ ভগ্নাংশক শতাংশলৈ প্ৰকাশ কৰা সমস্যামূলক অংকবোৰ সমাধান কৰিব পাৰিব।
- সৰলসুতৰ অংকবোৰৰ সুতৰ হাৰ আৰু শতকৰা লাভ/লোকচান নিৰ্ণয় কৰিবলৈ শিকিব।
- কোণ বিলাকক সৰল ৰৈখিক, পূৰক, সম্পূৰক, সন্নিহিত আৰু বিপ্ৰতীপ কোণ হিচাপে শ্ৰেণী বিভাজন কৰিবলৈ পাৰিব আৰু এটা কোণৰ জোখ দিয়া থাকিলে আনটো কোণৰ জোখ উলিয়াবলৈ পাৰিব।



- দুডাল ৰেখাক এডাল ছেদকে ছেদ কৰোতে উৎপন্ন হোৱা বিভিন্ন কোণৰ যোৰ (pairs of angles) বিলাকৰ ধৰ্মৰ সত্যাসত্য নিৰূপণ কৰিব পাৰিব।
- এটা ত্ৰিভুজৰ দুটা কোণৰ জোখ দিয়া থাকিলে তৃতীয় কোণটোৰ জোখ উলিয়াবলৈ জানিব।
- বাহু-বাহু-বাহু (SSS), বাহু-কোণ-বাহু (SAS), কোণ-বাহু-কোণ (ASA) আৰু সমকোণ-অতিভুজ -বাহু (RHS) সাপেক্ষে ত্ৰিভুজৰ সৰ্বাংগসমতা ব্যাখ্যা কৰিববলৈ জানিব।
- স্কেল আৰু কম্পাছ ব্যৱহাৰ কৰি এটা বহিঃস্থ বিন্দুৰ পৰা এডাল সৰল ৰেখাৰ সমান্তৰালকৈ আন এডাল সৰল ৰেখা আৰু ত্ৰিভুজ অংকন কৰিববলৈ শিকিব।
- একক বৰ্গৰ জালি (grid)/ লেখ কাগজ ব্যৱহাৰ কৰি এটা বন্ধ আকৃতিৰ কালি অনুমান কৰি উলিয়াবলৈ শিকিব।
- আয়ত আৰু বৰ্গই আগুৰি থকা যিকোনো ঠাইৰ (region) কালি নিৰ্ণয় কৰিব পাৰিব।
- দৈনন্দিন জীৱন সম্বন্ধীয় বিভিন্ন তথ্যৰ পৰা মধ্যমান(mean), মধ্যমা (median) আৰু বহুলক (mode) নিৰ্ণয় কৰিব পাৰিব।
- বাস্তৱ জীৱনৰ লগত জড়িত বিভিন্ন উদাহৰণ যেনে- এটা শ্ৰেণীত থকা বিভিন্ন উচ্চতাৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বা মুদ্ৰা এটা দলিয়াই দিলে কিমান বাৰ মুণ্ড (head) বা পুচ্ছ (tail) পৰিব সেই বিভিন্নতা (variability) বোৰ জানিব পাৰিব।
- দণ্ড চিত্ৰ ব্যৱহাৰ কৰি বিভিন্ন তথ্য যেনে গ্ৰীষ্মকাল আৰু শীতকালত হোৱা বিদ্যুতৰ খৰচৰ তুলনা বা এখন ক্ৰিকেট খেলত প্ৰথম 10 অ'ভাৰত এটা দলে কৰা ৰানৰ সংখ্যা ইত্যাদিৰ ব্যাখ্যা কৰিব পাৰিব।

## বিজ্ঞান

ছাত্ৰ-ছাত্ৰীয়ে—

- পদাৰ্থ আৰু জীৱৰ বাহ্যিকৰূপ, গুণাগুণ আৰু কাৰ্য এই তিনিটা লক্ষণ পৰ্যবেক্ষণ কৰি বিভিন্ন পদাৰ্থ আৰু বস্তু চিনাক্ত কৰিব পাৰিব। উদাহৰণ স্বৰূপে প্ৰাণীৰ আঁহ, দাঁতৰ প্ৰকাৰ, দাপোন আৰু লেন্‌ছ।
- ধৰ্ম, গঠন আৰু কাৰ্যৰ ভিত্তিত বিভিন্ন পদাৰ্থ আৰু জীৱৰ মাজত পাৰ্থক্য উলিয়াব পাৰিব। যেনে— বিভিন্ন জীৱৰ পাচন প্ৰক্ৰিয়া, একলিংগযুক্ত আৰু উভয়লিংগযুক্ত ফুল, তাপৰ সুপৰিবাহী আৰু কুপৰিবাহী পদাৰ্থ, অম্ল, ক্ষাৰক আৰু প্ৰশমিত দ্ৰব্য, দাপোন আৰু লেনছত গঠন হোৱা বিভিন্ন প্ৰতিবিম্ব।
- পদাৰ্থ আৰু জীৱসমূহৰ ধৰ্ম/বৈশিষ্ট্যৰ ভিত্তিত শ্ৰেণী বিভাজন কৰিব পাৰিব। যেনে— উদ্ভিদ আৰু প্ৰানীৰ আঁহ, ভৌতিক আৰু ৰাসায়নিক পৰিবৰ্তন ইত্যাদি
- সহজ অনুসন্ধানমূলক কাৰ্যৰ দ্বাৰা মনত উদয় হোৱা প্ৰশ্নৰ উত্তৰ বিচাৰিবলৈ প্ৰয়াস কৰিব যেনে— ৰঙীন ফুলৰ ৰস অম্ল আৰু ক্ষাৰক চিনাক্তকৰণৰ সূচক হিচাপে ব্যৱহাৰ কৰিব পাৰিনে? সেউজীয়া পত্ৰৰ বাহিৰেও আন ৰঙৰ পাতত সালোক সংশ্লেষণ প্ৰক্ৰিয়া হয়নে? বগা ৰঙটো বিভিন্ন ৰঙৰ সমাহাৰ হয়নে?
- প্ৰক্ৰিয়া আৰু পৰিঘটনাৰ কাৰণৰ মাজত সম্পৰ্ক স্থাপন কৰিব পাৰিব। যেনে— বায়ুৰ চাপৰ লগত বতাহৰ গতি, মাটিৰ প্ৰকাৰ, গুণাগুনৰ ওপৰত শস্যৰ উৎপাদন, মানুহৰ ক্ৰিয়াকলাপৰ বাবে পানীৰ উৎস হ্ৰাস পোৱা ইত্যাদি।
- প্ৰক্ৰিয়া আৰু পৰিঘটনা ব্যাখ্যা কৰিব পাৰিব যেনে— প্ৰাণীৰ আঁহ প্ৰস্তুতকৰণ, তাপৰ সঞ্চালনৰ প্ৰকাৰ, মানৱ আৰু উদ্ভিদৰ অংগ আৰু তন্ত্ৰসমূহ, বিদ্যুৎ প্ৰৱাহৰ উত্তাপীয়/তাপীয় আৰু চুম্বকীয় প্ৰভাৱ ইত্যাদি।
- ৰাসায়নিক বিক্ৰিয়া যেনে— অম্ল-ক্ষাৰকৰ বিক্ৰিয়া, ক্ষয়ীকৰণ, সালোক সংশ্লেষণ , শ্বসন ইত্যাদিৰ বাবে শব্দসমীকৰণ লিখিব পাৰিব।
- উষ্ণতা, স্পন্দনৰ হাৰ, গতিশীল বস্তুৰ দ্ৰুতি, সৰল দোলকৰ পৰ্যায়কাল ইত্যাদিৰ গণনা আৰু জোখ মাখ কৰিব পাৰিব।
- প্ৰাণী আৰু উদ্ভিদৰ অংগ তন্ত্ৰ, বিদ্যুৎ বৰ্তনী, পৰীক্ষামূলক ব্যৱস্থা, পাট-পলুৰ জীৱন চক্ৰ ইত্যাদিৰ চিত্ৰ অঙ্কন কৰি চিনাক্তকৰণ/প্ৰৱাহমান চিত্ৰ অঙ্কন কৰিব পাৰিব।
- দূৰত্ব-সময় গ্ৰাফ ইত্যাদিৰ নিচিনা গ্ৰাফ অংকন কৰি তাক ব্যাখ্যা কৰিব পাৰিব।
- ষ্টেথিচস্ক'প, বায়ু বেগ মাপক যন্ত্ৰ, বৈদ্যুতিক চুম্বক, নিউটনৰ কাঁহী ইত্যাদিৰ চৌপাশত উপলব্ধ হোৱা সামগ্ৰীৰে আৰ্হি প্ৰস্তুত কৰি তাৰ কাৰ্যাৱলী বৰ্ণনা কৰিব পাৰিব।
- বিজ্ঞানৰ আৱিষ্কাৰৰ কাহিনীসমূহ আলোচনা আৰু প্ৰশংসা কৰিব পাৰিব।
- বৈজ্ঞানিক ধাৰণাসমূহ যেনে অম্লব্যৱহাৰত ল'বলগীয়া সাৱধানতা, মাটিৰ পৰীক্ষা আৰু ব্যৱহাৰ, মাটি ক্ষয় নোহোৱাৰ বাবে ল'বলগীয়া সাৱধানতা, অংগজ বংশ বিস্তাৰৰ দ্বাৰা শস্য ৰোপণ, দুই বা তাতোধিক বৈদ্যুতিক কোষ সঠিকভাৱে সংযোজন কৰা, দুৰ্যোগৰ প্ৰাক্ আৰু পশ্চাৎকালীন সময়ত ল'বলগীয়া উপযুক্ত ব্যৱস্থা, প্ৰদূষিত পানী শোধন কৰি পুনৰ ব্যৱহাৰ ইত্যাদি দৈনন্দিন জীৱনত প্ৰয়োগ কৰিব পাৰিব।
- পৰিৱেশ সংৰক্ষণৰ চেষ্টা কৰিব, যেনে— ৰাজহুৱা স্থানত অনাময় নিয়ম মানি চলা, প্ৰদূষক সামগ্ৰীৰ ব্যৱহাৰ হ্ৰাস, মাটিৰ খহনীয়া ৰোধৰ বাবে গছপুলি ৰোপন, প্ৰাকৃতিক সম্পদৰ অধিক ব্যৱহাৰৰ ফলত হ'ব পৰা পৰিণতিৰ বিষয়ে মানুহৰ মাজত সজাগতা অনা ইত্যাদি।
- উপলব্ধ সমলসমূহৰ সদ্ ব্যৱহাৰ, পৰিকল্পনা আৰু আৰ্হি প্ৰস্তুত কৰণত সৃজনশীলতাৰ প্ৰদৰ্শন কৰিব পাৰিব।
- সততা, যথাৰ্থতা, সহযোগিতা, ভয়মুক্ত আৰু পক্ষপাতিত্ব মুক্ত আদি মূল্যবোধ দাঙি ধৰিব পাৰিব।

## সমাজ বিজ্ঞান

ছাত্ৰ-ছাত্ৰীয়ে—

- পৃথিৱীৰ অভ্যন্তৰ ভাগৰ স্তৰসমূহ, বিভিন্ন প্ৰকাৰৰ শিলসমূহ আৰু বায়ুমণ্ডলৰ স্তৰসমূহ চিত্ৰৰ জৰিয়তে চিনাক্ত কৰিব।
- পৃথিৱীৰ মানচিত্ৰ অথবা গোলকত বিভিন্ন জলবায়ু অঞ্চলৰ অৱস্থিতি আৰু তাৰ পৰিসৰ নিৰ্ণয় কৰিব পাৰিব।
- ভূমিকম্প, বানপানী, খৰাং আদিৰ দৰে দুৰ্যোগৰ ক্ষেত্ৰত অৱলম্বন কৰিবলগীয়া সতৰ্কতামূলক কাৰ্যসমূহ ব্যাখ্যা কৰিব পাৰিব।
- বিভিন্ন কাৰকৰ বাবে হোৱা স্থলভাগৰ গঠন সম্পৰ্কে বৰ্ণনা কৰিব পাৰিব।
- বায়ুমণ্ডলৰ উপাদান আৰু গঠন সম্পৰ্কে বৰ্ণনা কৰিব পাৰিব।
- পৰিৱেশৰ বিভিন্ন উপাদান আৰু সেইবোৰৰ মাজৰ আন্তঃসম্পৰ্কৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।
- চৌপাশৰ প্ৰদূষণত অৰিহণা যোগোৱা কাৰকসমূহৰ বিশ্লেষণ কৰাৰ লগতে তাৰ প্ৰতিৰোধ ব্যৱস্থাসমূহৰ তালিকা প্ৰস্তুত কৰিব পাৰিব।

